Total No. of Printed Pages—3

**5 SEM TDC ASM M 4**

# 2015

( November )

ASSAMESE

( Major )

Course : 504

( তুলনামূলক ভাৰতীয় সাহিত্য )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) তুলনামূলক সাহিত্যৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১৪

অথবা

(খ) বিভিন্ন পণ্ডিতে আগবঢ়োৱা চিন্তা-চৰ্চাৰ আধাৰত তুলনামূলক সাহিত্যৰ সংজ্ঞা নিৰ্ণয় কৰাঁ। ১৪

২। (ক) তুলনামূলক সাহিত্যত বিষয়সাৰ অধ্যয়নৰ গুৰুত্ব বিচাৰ কৰি এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

*অথবা*

(খ) তুলনামূলক সাহিত্যত 'প্ৰকাৰতত্ত্ব'ই সামৰি লোৱা প্ৰসঙ্গসমূহৰ পৰিচয় দাঙি ধৰি এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

৩। তলৰ যি কোনো দুটা বিষয়ত ৰচনা লিখাঁ : ৯×২=১৮

(ক) তুলনামূলক ভাৰতীয় সাহিত্যৰ প্ৰাসঙ্গিকতা

(খ) ভাৰতীয় সাহিত্যৰ ঐক্যসূত্ৰ

(গ) তুলনামূলক ভাৰতীয় সাহিত্যৰ অধ্যয়ন-ক্ষেত্ৰ

৪। (ক) বিষয়বস্তুৰ দৃষ্টিৰে 'মা' আৰু 'আই গোসাঁনীৰ থান' গল্প দুটাৰ এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) 'বাঁহী'ক মূল বিষয়ৰ ৰূপত লৈ ৰচিত তোমাৰ পাঠ্য কবিতা দুটিৰ বিষয়সাৰ (theme)-ৰ সমতা-বিষমতা স্পষ্ট হোৱাকৈ এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৪

৫। অনুবাদে তুলনামূলক সাহিত্যক কিদৰে সহায় কৰিব পাৰে আৰু অনুবাদৰ অবিহনে তুলনামূলক সাহিত্যৰ অধ্যয়ন কিদৰে বাধাগ্ৰস্ত হ'ব পাৰে, দুয়োটা দিশতে চমু আলোচনা আগবঢ়োৱাঁ। ১০

৬। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়াঁ : ২×৫=১০

(ক) বিশ্বৰ কোনখন দেশৰ, কোনখন বিশ্ববিদ্যালয়ত, তুলনামূলক সাহিত্য পাঠ্যক্ৰম হিচাপে প্ৰথম অন্তৰ্ভুক্ত হৈছিল ?

(খ) তুলনামূলক সাহিত্যৰ বিষয়ে ৰচিত প্ৰথম গ্ৰন্থখনৰ নাম কি ? এই গ্ৰন্থৰ ৰচক কোন আছিল ?

(গ) অসমৰ কোনখন বিশ্ববিদ্যালয়ত, কেতিয়া তুলনামূলক ভাৰতীয় সাহিত্যক কোন পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছিল ?

(ঘ) 'আই গোসাঁনীৰ থান' আৰু 'মা' নামৰ গল্প দুটাৰ লেখক দুজন মূলতে কোন ভাষাৰ লেখক ?

(ঙ) তুলনামূলক সাহিত্যক এটা 'ইতিহাসসম্মত অনুশাসন'ৰ ৰূপত গ্ৰহণ কৰা বিদ্বানসকল তুলনামূলক সাহিত্যৰ কোন বিশেষ সম্প্ৰদায়ৰ অন্তৰ্গত ?

★★★